# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

https://dainikasam.in

ৰ । ৩৫৪ সংখ্যা, ১৬ শাওণ, দেওবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 354। DIBRUGARH, SUNDAY, AUGUST 2, 2026 । পৃষ্ঠা ১২+৪ (Pa


## কানৈ মহাবিদ্যালয়ত প্ৰাক্তন উপাচাৰ্য ডঃ কন্দৰ্প কুমাৰ ডেকাৰ গছপুলি ৰোপণ

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**

**ডিব্ৰুগড়, ১ আগষ্ট ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) আৰু ষ্টে ফিট যোগা কেন্দ্ৰৰ যুটীয়া উদ্যোগত কালি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ডঃ কন্দৰ্প কুমাৰ ডেকাই কানৈ মহাবিদ্যালয়ৰ চৌহদত প্ৰকৃতিক অধিক সজীৱ কৰি তোলাৰ উদ্দেশ্যৰে গছপুলি ৰোপণ কৰে। ডঃ ডেকাৰ স'তে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক ডঃ গোপাল চন্দ্ৰ হাজৰিকা, ডঃ লখিৰাম শইকীয়াৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়া আৰু ষ্টে ফিট যোগা কেন্দ্ৰৰ পৰিচালন সঞ্চালক জগদীশ ভৰালীয়েও একোটাকৈ মহানিমৰ পুলি ৰোপণ কৰে। উল্লেখ্য যে অসম চৰকাৰৰ 'বৃক্ষ বন্ধু' কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে কানৈ মহাবিদ্যালয়



আৰু ষ্টে ফিট যোগা কেন্দ্ৰৰ উদ্যোগত ডিব্ৰুগড়ত পাঁচ হাজাৰ মহানিমৰ পুলি ৰোপণ কৰাৰ কাৰ্যসূচী চলি আছে। ইয়াৰ অংশ হিচাপে প্ৰাক্তন উপাচাৰ্যৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপককেইগৰাকীয়ে গছপুলি ৰোপণ কৰি প্ৰকৃতিক সুৰক্ষা দিয়াৰ এক বাৰ্তা প্ৰেৰণ কৰে। মনকৰিবলগীয়া যে পাঁচ জুনৰ পৰা দুয়োটা অনুষ্ঠানে ডিব্ৰুগড় চহৰকে ধৰি আশে-পাশে মহানিম পুলি ৰোপণ কৰি আহিছে। ইতিমধ্যে ডেৰ হাজাৰ মহানিমৰ পুলি ৰোপণ কৰা হৈছে। অনুষ্ঠান দুটাই পাঁচ হাজাৰ মহানিম পুলি ৰোপণ কৰাৰ কথা ঘোষণা কৰিলেও জনসাধাৰণৰ ইতিবাচক সঁহাৰি লাভ কৰাৰ ফলত এই কাৰ্যসূচীয়ে পাঁচ হাজাৰ অতিক্ৰম কৰিব বুলি অধ্যক্ষ ডঃ শইকীয়াই জানিবলৈ দিছে। চৰকাৰৰ 'বৃক্ষ বন্ধু' কাৰ্যসূচীক শক্তিশালীভাৱে আগুৱাই নিব বুলিও তেওঁ কয়।